অধ্যায় ৩ ঃ মুদ্রাৰ চাহিদা ঃ কেইন্সীয় দৃষ্টিভংগী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মুদ্রাৰ লেনদেন চাহিদা

৩.৪ মুদ্রাৰ সতর্কতামূলক চাহিদা

৩.৫ মুদ্রাৰ কল্পনাপ্রসূত চাহিদা

৩.৬ মুদ্রাৰ সর্বমুঠ চাহিদা

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবৰ বাবে

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- মুদ্রাৰ কেইন্সীয় চাহিদা অথবা তাৰল্য প্রীতি (liquidity)ৰ অর্থ বুজি পাব
- কেইন্সীয়ান দৃষ্টিভংগীত মুদ্রাৰ চাহিদাৰ বিভিন্ন অভিপ্রায়ৰ মাজত থকা পার্থক্যবোৰ নির্ণয় কৰিব পাৰিব
- মুদ্রাৰ বিভিন্ন ধৰণৰ চাহিদাক প্রভাৱিত কৰা নির্ণায়ক অথবা কাৰকবোৰ চিনাক্ত কৰিব পাৰিব
- তাৰল্য ফান্দ (liquidity trap) ৰ ধাৰণাটো বুজি পাব।

৩.২ পৰিচয়

মুদ্রাৰ চাহিদা বিষয়ক কেইন্সীয় তত্ত্বটো কেইন্সৰ গ্রন্থ The General Theory of Employment, Interest and Money (১৯৩৬ চনত প্রকাশিত) ত সন্নিৱিষ্ট কৰা হৈছিল। কেইন্সৰ মতে মুদ্রাৰ তাৰল্যতা আছে বাবেই মুদ্রাৰ চাহিদা সৃষ্টি হয়। তেওঁ এই কথাটো তাৰল্যপ্রীতি বোলা অভিধাৰণাটোৰে বুজোৱাৰ প্রয়াস কৰিছিল। ইয়াৰ অর্থ হ'ল মানুহৰ নগদ ধন হিচাপে মুদ্রা জমা কৰি ৰখাৰ ইচ্ছা। এতিয়া প্রশ্ন হ'ল, যাৰ হাতত নগদ ধন হিচাপে মুদ্রা জমা থাকে তেনে মুদ্রাই কোনো আয় নকৰা সত্ত্বেও মুদ্রাৰ চাহিদাৰ সৃষ্টি হয় কিয়? অর্থনীতিত এনে কিছুমান অ-মুদ্রাৰূপী (non-money) সম্পত্তি সুলভ যিবোৰে গৰাকীক সুত হিচাপে কিছু ধন উপার্জনৰ সুযোগ দিব পাৰে, এইটোও এটা আলোচনা কৰিবলগীয়া বিষয়। ধ্রুপদী তত্ত্ব অনুসৰি মুদ্রাই বিনিময়ৰ মাধ্যম

হিচাপে কাম কৰে বাবেই ইয়াৰ চাহিদা আছে। কিন্তু কেইন্সীয় তত্ত্ব মতে বিনিময়ৰ মাধ্যম হোৱাৰ লগতে মজুত মূল্য (store of value) হিচাপেও মুদ্রাৰ চাহিদা আছে। মুদ্রাই যি কৰিব পাৰে কেৱল তাৰ বাবেই ইয়াৰ চাহিদা নাই, মুদ্রাৰ নিহিত অর্থৰ বাবেও ইয়াৰ চাহিদা আছে। মুদ্রাই হ'ল একমাত্র সম্পূর্ণৰূপে তৰল সম্পত্তি। তাৰল্য শব্দটোৰ অর্থ হ'ল মুদ্রাৰ অন্য বস্তুলৈ ৰূপান্তৰ ঘটিব পৰা দ্রুততা আৰু স্বচ্ছন্দতা (pace and ease) । সেয়েহে ধ্রুপদী অর্থনীতিবিদসকলৰ মতামতৰ পৰা ফালৰি কাটি গৈ মুদ্রাৰ চাহিদাৰ কেইন্সীয় তত্ত্বই মুদ্রাৰ জমাধন চাহিদা (asset demand) ৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। এই অধ্যায়টি পঢ়ি আপুনি মুদ্রা চাহিদাৰ কেইন্সীয় দৃষ্টিভংগীটো মুদ্রা চাহিদাৰ ধ্রুপদী দৃষ্টিভংগীতকৈ কিহত পৃথক সেয়া জানিব পাৰিব।

কেইন্সে মুদ্রাৰ চাহিদা অথবা তাৰল্য প্রীতিৰ তিনিটা অভিপ্রায় (motives)ৰ বিষয়ে উল্লেখ কৰিছে- (i) লেনদেন অভিপ্রায় (transaction motive), (ii) সতর্কতামূলক অভিপ্রায় (precautionary motive) আৰু (iii) কল্পনাপ্রসূত অভিপ্রায় (speculative motive)। কেইন্সে মুদ্রাৰ সর্বমুঠ চাহিদা সূচাবলৈ সর্বমুঠ নগদী ভাৰসাম্য (total cash balance) বোলা অভিধাৰণাটো ব্যৱহাৰ কৰিছে। তেওঁ দুবিধ নগদী ভাৰসাম্যৰ কথা কৈছে- সক্রিয় নগদী ভাৰসাম্য (active cash balance) আৰু নিষ্ক্রিয় নগদী ভাৰসাম্য (idle cash balance) । সক্রিয় নগদী ভাৰসাম্যই লেনদেন তথা সতর্কতামূলক অভিপ্রায়ৰ বাবে মুদ্রা চাহিদাৰ কথা বুজায়। আনহাতে, নিষ্ক্রিয় নগদী ভাৰসম্যই কল্পনা প্রসুত অভিপ্রায়ক বুজায় ।এই অধ্যায়টোত আমি মুদ্রাৰ চাহিদাৰ লেনদেন অভি প্রায়, সতর্কতামূলক অভিপ্রায় আৰু কল্পনা প্রসূত অভিপ্রায়ৰ ওপৰত আলোকপাত কৰিম। সেয়েহে এই অধ্যায়টো পঢ়াৰ পিছত আপুনি মুদ্রাৰ চাহিদা সম্পর্কত কেইন্সীয় দৃষ্টিভঙ্গীৰ বিষয়ে সুন্দৰ জ্ঞান অর্জন কৰিব পাৰিব।

৩.৩ মুদ্রাৰ লেনদেন চাহিদা

কেইন্সৰ মতে মুদ্রাৰ লেনদেন চাহিদাৰ 'ব্যক্তিগত আৰু ব্যৱসায়িক বিনিময়ৰ সাময়িক লেনদেনৰ বাবে প্রয়োজন হোৱা নগদ ধন'ৰ সৈতে সম্পর্ক আছে। মুদ্রাই বিনিময় কার্য সমাধা কৰিব পৰা মাধ্যম হিচাপে কাম কৰে বাবে মুদ্রাৰ লেনদেন চাহিদাৰ সৃষ্টি হয়। মুদ্রাই বিনিময়ৰ মাধ্যম হিচাপে কাম কৰে। সেয়েহে মানুহে নিজৰ উপার্জনৰ এটা অংশ সাময়িক লেনদেন কৰিবলৈ নগদ অথবা তৰল ধন হিচাপে নিজৰ সৈতে ৰাখে। মানুহৰ মুদ্রা প্রাপ্তি অথবা আয় আৰু মুদ্রা পৰিশোধ অথবা ব্যয়ৰ মাজত নিখুঁত কালসংহতি (perfect synchronisation) ৰ অভাৱ ঘটে। সাধাৰণতে মানুহে এক নির্দিষ্ট বিৰতিৰ মূৰে মূৰে উপার্জন লাভ কৰে। কিন্তু মানুহে দৈনিক ভিত্তিত কিছুমান ব্যয় কৰিবলগীয়া হয়। সেয়েহে মানুহে সামগ্রী আৰু সেৱা কিনাৰ বাবদ হ'ব পৰা দৈনিক ব্যয়ৰ বাবে আয়ৰ এটা অংশ নগদ ধনৰূপে হাতত ৰাখে। সেয়েহে কব পাৰি যে মুদ্রাৰ লেনদেন চাহিদাই নির্দিষ্ট সময়ৰ মূৰে মূৰে হোৱা উপার্জন প্রাপ্তি আৰু ব্যক্তি তথা ব্যৱসায়ীসকলৰ অবিৰত ব্যয়ৰ মাজৰ ব্যৱধান কম কৰে।

মুদ্রাৰ লেনদেন চাহিদাক কেইন্সে পুনৰ দুটা উপ-ভাগত ভাগ কৰিছে - উপার্জন অভিপ্রায় (income motive) আৰু ব্যৱসায়িক অভিপ্রায় (business motive)। উপার্জন অভিপ্রায়ে পৰিয়ালবোৰৰ উপার্জন প্রাপ্তি আৰু দৈনিক ব্যয়ৰ মাজৰ ব্যৱধান পূৰণ কৰে। উপার্জন অভিপ্রায়ৰ মুদ্রা চাহিদা তলত উল্লেখ কৰা কথাবোৰৰ ওপৰত নির্ভৰশীল-

- **উপার্জনৰ স্তৰ (The level of income) ঃ** উপার্জনৰ স্তৰ অনুসৰি উপার্জন অভিপ্রায়ৰ মুদ্রা চাহিদাৰ পৰিমাণ ভিন ভিন হ'ব পাৰে। সাধাৰণতে এগৰাকী ধনী ব্যক্তিৰ দৈনিক লেনদেন প্রয়োজনীয়তা এগৰাকী দুখীয়া ব্যক্তিতকৈ অধিক। সেয়েহে উচ্চ উপার্জনশীল লোকসকলে তুলনামূলকভাৱে নিম্ন উপার্জনকাৰী লোক বোৰতকৈ পণ্যদ্রব্য উপভোগত দৈনিক ব্যয় কৰিবলৈ হাতত অধিক পৰিমাণৰ মুদ্রা অথবা নগদ ধন জমা ৰাখে।
- **মুল্য স্তৰ (The price level) ঃ** সামগ্রীৰ মূল্য বৃদ্ধিয়ে মুদ্রাৰ ক্রয়ক্ষমতা হ্রাস কৰে। মূল্যবৃদ্ধি হ'লে নাইবা মুদ্রাস্ফীতিৰ সময়ত মুদ্রাৰ লেনদেন চাহিদা বৃদ্ধি পায়। মূল্য হ্রাস পালে- নাইবা মুদ্রাসংকোচন (deflationary) ঘটা কালত লেনদেন অভিপ্রায়ত মুদ্রাৰ চাহিদা কমি যায়।
- **উপার্জন প্রাপ্তি আৰু ব্যয়ৰ মাজত থকা সময়ৰ ব্যৱধান (Time gap between receipt and expenditure of income) ঃ** উপার্জন সাধাৰণতে এক নির্দিষ্ট সময়ৰ অন্তৰে অন্তৰে আমাৰ হাতত পৰে। কিন্তু খৰছৰ প্রয়োজনীয়তা দৈনিক ভিত্তিত সৃষ্টি হয়। সেয়েহে উপার্জন প্রাপ্তি আৰু ব্যয়ৰ মাজত থকা সময়ৰ ব্যৱধান পূৰণ কৰিবলৈ পৰিয়ালৰ হাতত নগদ ধন হিচাপে কিছু মুদ্রা জমা থাকিব লাগে। যদি উপার্জন প্রাপ্তি আৰু ব্যয়ৰ মাজত থকা সময়ৰ ব্যৱধান বেছি হয় তেন্তে মুদ্রাৰ লেনদেন চাহিদাও বাঢ়ে আৰু অন্যথা ইয়াৰ বিপৰীত ক্রিয়াটো ঘটে।
- **উপার্জন প্রাপ্তিৰ সঘনতা (Frequency of receipts) ঃ** উপার্জন প্রাপ্তিৰ সঘনতা আৰু মুদ্রাৰ লেনদেন চাহিদাৰ স্তৰৰ মাজত এটা বিপৰীত সম্পর্ক আছে। উপার্জন প্রাপ্তিৰ সঘনতা হ্রাস পালে মুদ্রাৰ লেনদেন চাহিদা বাঢ়ি যায় আৰু সঘনতা বৃদ্ধি পালে ইয়াৰ ওলোটাটো ঘটে।
- **ব্যয়ৰ সঘনতা (Frequency of expenditures) ঃ** ব্যয়ৰ সঘনতায়ো মুদ্রাৰ লেনদেন চাহিদাক প্রভাৱিত কৰে। ব্যয়ৰ সঘনতা অনুসৰি মুদ্রাৰ লেনদেন চাহিদা ভিন ভিন হয়। যদি ব্যয়ৰ সঘনতা বাঢ়ে তেন্তে লেনদেন অভিপ্রায়ৰ বাবে মুদ্রাৰ চাহিদা বাঢ়ে আৰু ইয়াৰ বিপৰীত হ'লে চাহিদা হ্রাস পায়।
- **ঋণৰ সহজলভ্যতা (Availability of credit) ঃ** যদি ঋণলাভৰ সুযোগ সুবিধাবোৰ কমখৰছী তথা সহজলভ্য হয় তেন্তে লেনদেন অভিপ্রায়ৰ বাবে মানুহে কম পৰিমাণে নগদ ধন লগত ৰাখিব। সুবিধাজনক ঋণলাভ প্রক্রিয়াবোৰৰ বাবে বৃহৎ পৰিমাণৰ লেনদেন কৰাৰ ক্ষেত্রত মানুহে নগদ ধনৰ প্রয়োজনীয়তা কমকৈ অনুভৱ কৰিব।